# দিছপুৰ মহাবিদ্যালয়ত 'যুৱ মন্থন' শীৰ্ষক ড্ৰাগছবিৰোধী সজাগতা অনুষ্ঠান

**প্ৰতিদিন মহানগৰ সেৱা, গুৱাহাটী, ৩ ছেপ্টেম্বৰ** ঃ যুৱ প্ৰজন্মক ড্ৰাগছৰ ভয়াবহতাৰ বিষয়ে সজাগ কৰাৰ উদ্দেশ্যে য়ুথ এগেইনষ্ট ড্ৰাগছ ফাউণ্ডেচনে দিছপুৰ মহাবিদ্যালয়ৰ এন এছ এছ ইউনিটৰ সহযোগত আজি দিছপুৰ মহাবিদ্যালয়ত 'যুৱ মন্থন' শীৰ্ষক ড্ৰাগছ বিৰোধী সজাগতা কাৰ্যসূচী অনুষ্ঠিত কৰে। অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীসকলক ড্ৰাগছ সেৱনৰ ফলত সৃষ্টি হোৱা শাৰীৰিক, মানসিক, সামাজিক আৰু শৈক্ষিক ক্ষতিৰ বিষয়ে সজাগ কৰা হয়। লগতে যুৱ সমাজক ড্ৰাগছৰ পৰা আঁতৰি থাকি শিক্ষা, ক্ৰীড়া আৰু সুস্থ জীৱনশৈলী গ্ৰহণ কৰিবলৈ আহ্বান জনোৱা হয়। কাৰ্যসূচীৰ অংশ হিচাপে 'ছে ন' টু ড্ৰাগছ, ছে য়েছ টু স্প'ৰ্টছ' শীৰ্ষক এখন সজাগতামূলক পোষ্টাৰো উন্মোচন কৰা হয়। পোষ্টাৰখনৰ জৰিয়তে ড্ৰাগছৰ বিপৰীতে ক্ৰীড়া আৰু ইতিবাচক কাৰ্যকলাপক যুৱ সমাজক বিকল্প হিচাপে গ্ৰহণ কৰাৰ বাৰ্তা প্ৰদান কৰা হয়। অনুষ্ঠানত উপস্থিত থাকে দিছপুৰ মহাবিদ্যালয়ৰ উপাধ্যক্ষ ইন্দ্ৰাণী চৌধুৰী মহন্ত, ছাত্ৰ কল্যাণৰ ডীন ড° শশী মোহন দাস, ইতিহাস বিভাগৰ অধ্যাপিকা চেৰলিন



ইংজাইপি, এন এছ এছ ইউনিটৰ বিষয়া সুতীৰ্থ মালাকাৰ, য়ুথ এগেইনষ্ট ড্ৰাগছ ফাউণ্ডেচনৰ উপাধ্যক্ষ মীনাক্ষী সিংহা আৰু সম্পাদক ৰাজদীপ সিংহা। অনুষ্ঠানত ভাষণ দি ৱাই এ ডি এফৰ উপাধ্যক্ষ মীনাক্ষী সিংহাই কয় যে ড্ৰাগছৰ বিৰুদ্ধে যুঁজত সজাগতা আৰু প্ৰতিৰোধমূলক ব্যৱস্থাই বিশেষ গুৰুত্ব বহন কৰে। যুৱ সমাজ দেশৰ ভৱিষ্যৎ শক্তি বুলি উল্লেখ কৰি তেওঁ ছাত্ৰ-ছাত্ৰীসকলক ড্ৰাগছৰ পৰা আঁতৰি থাকিবলৈ আৰু আনকো এই বিষয়ে সজাগ কৰিবলৈ আহ্বান জনায়।